# Indian assistance to Mauritius to deal with the environmental crisis due to oil spill

August 16, 2020

# তেল বাগৰি পৰাৰ ফলত পৰিৱেশগত সংকটৰ সৈতে মোকাবিলা কৰিবলৈ মৰিচাছক ভাৰতৰ সাহার্য

আগষ্ট 16, 2020

মৰিচাছ চৰকাৰৰ(জি অ এম) এক অনুৰোধৰ সঁহাৰি স্বৰূপে ভাৰত চৰকাৰে মৰিচাছৰ দক্ষিণ-পূৰ্বী উপকূলত তেল বাগৰি পৰাৰ ফলত পৰিৱেশগত সংকটৰ সৈতে মোকাবিলা কৰাত সাহার্য প্ৰদান কৰাৰ উদ্দেশ্যে ভাৰতীয় বায়ুসেনাৰ বিমানৰ জৰিয়তে মৰিচাছৰ কাৰণে সম্প্ৰতি দেশখনত তেল বাগৰি পৰাৰ পৰা ৰক্ষণাবেক্ষণ আৰু উদ্ধাৰ কাৰ্যক্ৰমৰ পৰিপূৰক হিচাপে 30 টনতকৈ অধিক কাৰিকৰী সৰঞ্জাম আৰু সামগ্ৰী প্ৰেৰণ কৰা হয়।

বিশেষ সৰঞ্জাম যেনে অশ্বেন বুম, ৰিভাৰ বুমছ, ডিস্ক স্কীমাৰছ, হেলি স্কীমাৰ, পাৱাৰ পেকছ, ব্লৱাৰছ, স্যালভেজ বাৰ্জ আৰু তেল শোষণকাৰী গ্ৰাফেন পেডসমূহ আৰু অন্যান্য সৰঞ্জামসমূহ, বিশেষকৈ পানীৰ পৰা অইল স্লিক, অইল স্কীম আঁতৰাবৰ কাৰণে ব্যৱহাৰ কৰা হয় আৰু ই পৰিষ্কাৰ আৰু উদ্ধাৰ কাৰ্যত সহায় কৰে।

তেল বাগৰি পৰা ৰোধৰ ব্যৱস্থাপনাৰ কাৰণে বিশেষভাৱে প্ৰশিক্ষিত ভাৰতীয় উপকূল ৰক্ষক(আই চি জি)ৰ সদস্য জনীয়া এক সদস্যৰ কাৰিকৰী সঁহাৰি দলক ঘটনাস্থলীলৈ প্ৰয়োজনীয় প্ৰযুক্তিগত আৰু পৰিচালনাৰ সাহার্যৰ কাৰণে মৰিচাছত মোতায়ন কৰা হয়।

ভাৰতৰ সাহার্য ভাৰত মহাসাগৰীয় ক্ষেত্ৰৰ চুবুৰীয়াসমূহলৈ মানৱীয় সহায় আৰু দুৰ্যোগ সাহার্য বিস্তাৰ নীতিৰ অনুৰূপ, যি প্ৰধানমন্ত্ৰীগৰাকীৰ সাগৰ (সুৰক্ষা আৰু এই সমগ্ৰ ক্ষেত্ৰত অন্তৰ্গত সকলো ৰাষ্ট্ৰৰ উন্নয়ন) সম্বন্ধীয় দৃষ্টিকোণৰ দ্বাৰা পৰিচালিত। জৰুৰীকালীন সাহার্যই ভাৰত আৰু মৰিচাছৰ মাজৰ বন্ধুত্বৰ ঘনিষ্ঠ বান্ধোন আৰু প্ৰয়োজনৰ সময়ত মৰিচাছৰ জনসাধাৰণক সাহার্য কৰাৰ কাৰণে ভাৰতৰ প্ৰতিশ্ৰুতিক প্ৰতিফলিত কৰে।

মৰিচাছক ক'ভিড-19 মহামাৰীৰ বিৰুদ্ধে যুঁজত সম্প্ৰতি ভাৰতে অত্যাৱশ্যকীয় ঔষধপাতি, মিছন 'সাগৰ'ৰ অংশ হিচাপে চিকিৎসা কৰ্মী সহ আয়ুৰ্বেদিক ঔষধৰ এক বিশেষ চালানৰ সহৰৱৰাহ দ্বাৰা প্ৰদান কৰা সহায়ৰ অনুসৰণত ভাৰতে এই সহাৰ্য আগবঢ়াইছে।

**নতুন দিল্লী**
**আগষ্ট 16, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.